# সতৰ্কতামূলক পৰামৰ্শ

## অকৰ্তৃত্বশীল ব্যক্তিগত প্ৰতিষ্ঠানসমূহে আগবঢ়োৱা অবৈধ তথা কল্পনাপ্ৰসূত ল’ন ছেটেলমেণ্ট/পৰামৰ্শদান সেৱাসমূহৰপৰা সাৱধান।

প্ৰিয় গ্ৰাহকবৃন্দ,

এটা বিষয় আমাৰ দৃষ্টিগোচৰ হৈছে যে আমাৰ নিৰীহ গ্ৰাহকসকলক কেতবোৰ অনধিকৃত ব্যক্তিগত প্ৰতিষ্ঠানে ('প্ৰতিষ্ঠান') অগ্ৰিম/আগতীয়াকৈ পৰিশোধ কৰা মাচুলৰ বিনিময়ত বিত্তীয় প্ৰতিষ্ঠানসমূহত থকা গ্ৰাহকসকলৰ ঋণৰাশিৰ লেনদেন মীমাংসা কৰি দিয়াৰ ভুৱা প্ৰতিশ্ৰুতিৰে, তেওঁলোকৰ বেআইনী ঋণ সংক্ৰান্তীয় পৰামৰ্শদান সেৱাসমূহৰ সুবিধা ল'বলৈ (i) সামাজিক মাধ্যমৰ কেতবোৰ বিজ্ঞাপন দিয়া, বিশেষকৈ ফেচবুক আৰু টুইটাৰত, (ii) নিজৰ ৱেবছাইটৰ জৰিয়তে প্ৰকাশ কৰি তথা কিছুমান ছাৰ্চ ইঞ্জিনৰ মাধ্যমেৰে ইয়াক সজলভ্য কৰা (যেনে: গুগুল আদি); (iii) তেওঁলোকৰ ৱেবছাইট/সামাজিক মাধ্যমত প্ৰতিষ্ঠিত বিত্তীয় প্ৰতিষ্ঠানসমূহৰ ব্ৰেণ্ড লগ' আৰু ট্ৰেডমাৰ্কৰ অপব্যৱহাৰ/অনধিকৃত প্ৰকাশ কৰা; (iv) ৱেবছাইটত ভুৱা মতামত প্ৰকাশ কৰা আৰু নিৰ্দোষী গ্ৰাহকসকলক প্ৰলোভিত কৰা কাৰ্যৰ জৰিয়তে প্ৰৱঞ্চনাৰ লক্ষ্য কৰি লৈছে।

আমি আমাৰ গ্ৰাহকসকলৰ লগতে সাধাৰণ জনতাক এনেধৰণৰ কোনো অকৰ্তৃত্বশীল ব্যৱসায় প্ৰতিষ্ঠানৰ লগত জড়িত নহ'বলৈ সাৱধান কৰি দিওঁ, যিবোৰে ঋণ পৰিশোধ কৰাত বিফল হোৱা বা ঋণ পৰিশোধ কৰিবলৈ ইচ্ছা নকৰা গ্ৰাহকসকলক তেওঁলোকৰ কল্পনাপ্ৰসূত ল’ন ছেটেলমেণ্ট সেৱাসমূহ/সমাধানসমূহৰ জৰিয়তে লক্ষ্য কৰি লৈছে আৰু এই প্ৰক্ৰিয়াবোৰৰ ফলস্বৰূপে গ্ৰাহকসকল ('ভুক্তভোগী') আৰ্থিক ক্ষতিৰ সন্মুখীন হৈছে।

এই প্ৰতিষ্ঠানবোৰৰ কাম কৰা পদ্ধতি এনেধৰণৰ:

1. এইধৰণৰ ভুক্তভোগীসকলক সহায় কৰাৰ অজুহাত লৈ, গ্ৰাহকসকলৰ ঋণৰাশি পৰিশোধ কৰাৰ সমস্যাটো মীমাংসা কৰাত সহায় কৰিবৰ বাবে এই প্ৰতিষ্ঠানবোৰে নিজকে গ্ৰাহক আৰু বেংক বা এনবিএফচি ("ঋণদাতা")ৰ মাজৰ মধ্যস্থতাকাৰী বুলি নিজকে দাবী কৰে। এই প্ৰতিষ্ঠানবোৰে এনেধৰণৰ ভুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰে:

(i) তেওঁলোকৰ বিশেষ আইনী ক্ষমতা ব্যৱহাৰ কৰি অসামান্যৰূপে কম পৰিমাণত ল’ন ছেটেলমেণ্ট কৰি দিয়া;

(ii) তেওঁলোকৰ আইনী সাহায্যৰে গ্ৰাহকসকলৰ বন্ধকীত থকা সম্পত্তিবোৰ ৰক্ষা কৰা; আৰু

(iii) নিষিদ্ধ ঘোষিত কোম্পানীবোৰৰ বৃহৎ পৰিমাণৰ বকেয়াৰাশি উল্লেখনীয়ভাৱে কম পৰিমাণত ছেটেলমেণ্ট কৰি দিয়া।

2. তেওঁলোকে ভুক্তভোগীসকলক তেওঁলোকৰ লগত চুক্তিবদ্ধ হ'ব লাগিব/কাগজ কৰিব লাগিব বুলি কয় আৰু ভুক্তভোগীৰ হৈ কাম কৰিবৰ বাবে এখন অনুমোদন পত্ৰ বিচাৰে।

3. তেওঁলোকে নিৰীহ গ্ৰাহকসকলক এইদৰে প্ৰতাৰণা কৰে:

(ক) অন্ততঃ ২ মাহ বা তাতকৈ বেছি ইএমআই পৰিশোধ কৰাটো বন্ধ কৰিবলৈ উচতনি দিয়ে আৰু তাৰ পৰিৱৰ্তে তেওঁলোকৰ ভুৱা ল'ন ছেটেলমেণ্ট সমাধানৰ এটা অংশ হিচাপে সেই প্ৰতিষ্ঠানটোৰ এটা বিশেষ "ছেটেলমেণ্ট" একাউণ্টত ধনৰাশি পৰিশোধ কৰিবলৈ দিয়ে;

(খ) সেই প্ৰতিষ্ঠানবোৰে নিজৰ বিশেষজ্ঞ লোকৰ জৰিয়তে এক অবিশ্বাস্য কম পৰিমাণত গ্ৰাহকৰ ঋণৰ সমস্যাটো মীমাংসা কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে;

(গ) নিজৰ ইএমআই পৰিশোধত বিফল হোৱা বা কম ইএমআই পৰিশোধ কৰাৰ ফলস্বৰূপে গ্ৰাহকসকলৰ চিআইবিআইএল (চিবিল) প্ৰতিবেদনত কোনো প্ৰভাৱ নপৰিব বুলি নিশ্চয়তা প্ৰদান কৰে;

(ঘ) এই ছল-চাতুৰীৰ অংশ হিচাপে তেওঁলোকে ঋণদাতাৰ ওপৰত কেতবোৰ ভুৱা অভিযোগ, আইন/বিধি উলংঘনৰ জাননী জাৰি কৰি দেখুৱায়; আৰু

(ঙ) আনকি তেওঁলোকে ভুক্তভোগীলৈ অহা ফোনকলবোৰ ভুক্তভোগীক তেওঁলোকলৈ ডাইভাৰ্ট কৰিবলৈও দিয়ে যাতে ঋণদাতাই কৰা ফোন তেওঁলোকে ধৰে আৰু টেলিফোনত ঋণদাতাৰ সৈতে অভদ্ৰ আচৰণত লিপ্ত হয়, যিবোৰ ফোন প্ৰকৃততে ঋণদাতাই নকৰে।

আমি আপোনালোকে এটা কথা মনত ৰখাটো বিচাৰোঁ যে, এনেবোৰ প্ৰতিষ্ঠানৰ সৈতে গ্ৰাহক জড়িত হওক বা নহওক, গ্ৰাহকৰ বেংক একাউণ্টত যথোচিত পৰিমাণৰ পুঁজি জমা নৰখাৰ ফলস্বৰূপে গ্ৰাহকৰ দ্বাৰা ঋণ পৰিশোধৰ নিৰ্দেশনা অৱমাননা কৰাটো বুজাব, তাৰ কাৰণ হৈছে:

(ক) ঋণ পৰিশোধ কৰিবলৈ বাকী থাকিলে যেতিয়াই যেনেকৈ প্ৰয়োজন হয় বেংকে জৰিমণা/মাচুল আদিবোৰ গ্ৰাহকৰ বেংক একাউণ্টৰপৰা কাটি ল'ব। বেংকে ধাৰ্য কৰা এনেধৰণৰ মাচুলবোৰৰ পুনৰুদ্ধাৰ সেই মাহটোৰ বাবে হ'ব পাৰে নাইবা কেইবাটাও মাহৰ বাবে সঞ্চয়ী ৰূপত হ'ব পাৰে অথবা যিকোনো এটা নিৰ্দিষ্ট মাহৰ বাবে হ'ব পাৰে আৰু

(খ) ঋণদাতাই তেনে পৰিশোধ নকৰা ইএমআই-ৰ ওপৰত জৰিমণা মাচুল আদায় কৰিব পাৰে, যিটো গ্ৰাহকে পৰিশোধ কৰিব লাগিব।

ইয়াৰ ফলস্বৰূপে, গ্ৰাহকজনৰ ওপৰত ইএমআই ৰাশিতকৈও অধিক অতিৰিক্ত ধনৰাশি পৰিশোধৰ বোজা পৰিব। ঠিক সেইদৰে, এনেকৈ ধন পৰিশোধ নকৰাকৈ থাকিলে গ্ৰাহকৰ ক্ৰেডিট ৰেকৰ্ডৰ ওপৰত প্ৰস্তুত হোৱা চিবিল (চিআইবিআইএল) ৰেটিঙৰ ওপৰতো নেতিবাচক প্ৰভাৱ বৃদ্ধি পাব।

তাৰোপৰি, ঋণদাতাসকলে কোনো ল'ন ছেটেলমেণ্ট/পৰামৰ্শদাতা প্ৰতিষ্ঠানক স্বীকৃতি নিদিয়ে, কিয়নো এজন গ্ৰাহকে তেওঁৰ/তেখেতৰ ঋণটো গ্ৰাহকজনে স্বীকাৰ কৰি লোৱা ঋণ বন্দোৱস্তিৰ নিয়ম আৰু চৰ্তাৱলীৰ বিপৰীতে গৈ অন্য কাকো অৰ্পণ কৰিব নোৱাৰে।

গ্ৰাহকে ঘূৰাই দিবলগীয়া ঋণৰাশিৰ বৰ্ধিত বোজা আৰু গ্ৰাহকৰ ক্ৰেডিট ৰেটিঙৰ ওপৰত পেলোৱা নেতিবাচক প্ৰভাৱৰ বাহিৰে এই প্ৰতিষ্ঠানবোৰে অন্য একো সেৱা আগবঢ়াব নোৱাৰে, কিয়নো এইধৰণৰ সেৱাসমূহ আইনৰ দ্বাৰাও অনুমোদিত নহয় আৰু তেনে কাৰ্য কৰিবৰ বাবে ঋণদাতায়ো তেওঁলোকক অনুমতি নিদিয়ে। এই প্ৰতিষ্ঠানবোৰে নিৰ্দোষী ভুক্তভোগীসকলৰ কষ্টোপাৰ্জিত ধনৰাশি অপব্যৱহাৰ কৰাৰ বাহিৰে অন্য কোনো সেৱা প্ৰদান নকৰে।

এই প্ৰতিষ্ঠানবোৰৰ ৱেবছাইটসমূহৰ লগতে বিভিন্ন বৈদ্যুতিন/সামাজিক মাধ্যমৰ প্লেটফৰ্মবোৰত দিয়া ভুৱা/বিভ্ৰান্তিকৰ বিজ্ঞাপনবোৰ প্ৰকাশ কৰা এনে অবৈধ আৰু প্ৰৱঞ্চক প্ৰতিষ্ঠানবোৰৰ পৰা আমাৰ গ্ৰাহকসকল আমি সতৰ্ক হৈ থকাটো বিচাৰোঁ, কিয়নো যিকোনো অনধিকৃত/অবৈধ পদ্ধতিত ল'ন ছেটেলমেণ্ট কৰাৰ ফলস্বৰূপে ঋণ প্ৰতিৱেদনৰ মানদণ্ড নিম্নগামী হোৱাৰ যথেষ্ট আশংকা থাকে। যিকোনো লোকে যিকোনোধৰণে আগবঢ়োৱা এনেধৰণৰ ভুৱা নিশ্চয়তা/দাবীত প্ৰলোভিত নহ'বলৈ আমাৰ তৰফৰপৰা বিনম্ৰভাৱে অনুৰোধ জনালোঁ।

**সতৰ্ক হওক, নিৰাপদে থাকক।**

বাজাজ ফাইনেন্স লিমিটেড-এ জাৰি কৰা এক জন সজাগতা পৰামৰ্শ